জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩৯৫/২০২০**

# বৰাক উপত্যকাৰ ভূমিস্খলনত নিহত হোৱা ব্যক্তিৰ পৰিয়ালৰ নিকটাত্মীয়লৈ এককালীন সাহায্য শীঘ্ৰে প্ৰদানৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## উদ্ধাৰ অভিযান ক্ষিপ্ৰভাৱে কৰাৰ বাবে জিলা প্ৰশাসন আৰু এছ ডি আৰ এফক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২ জুন ঃ** নেৰানেপেৰা বৰষুণৰ ফলত বৰাক উপত্যকাত সংঘটিত ভূমিস্খলনত কেইবাগৰাকীও ব্যক্তিৰ প্ৰাণহানি হ'বলগীয়া হোৱা ঘটনাত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰিছে। এয়া অত্যন্ত দুৰ্ভাগ্যজনক ঘটনা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বৰাক উপত্যকাৰ তিনিখন জিলা ক্ৰমে কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দিৰ উপায়ুক্তসকলক উদ্ধাৰ অভিযান ক্ষিপ্ৰ কৰাৰ বাবে নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীয়ে লগতে এছ ডি আৰ এফকো উদ্ধাৰ আৰু সাহায্য অভিযান তীব্ৰতৰ কৰাৰ বাবে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে এই ঘটনাত নিহত হোৱা ব্যক্তিৰ পৰিয়ালৰ নিকটাত্মীয়লৈ এককালীন সাহায্যৰ ধনৰাশি তাৎক্ষণিকভাৱে প্ৰদানৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে এই ঘটনাত আহত ব্যক্তিসকলৰ উন্নত চিকিৎসাৰ ব্যৱস্থা কৰিবলৈও জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। আহত ব্যক্তিসকলৰ আশু-আৰোগ্যও মুখ্যমন্ত্ৰীয়ে কামনা কৰিছে।

**পুঃডেঃ / স্বাক্ষৰ / বঃভাঃ**
**২/৬/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in